30-01-2026 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

মৰমৰ সন্তানসকল – “গোটেই কল্পৰ এয়া হ’ল সৰ্বোত্তম কল্যাণকাৰী সংগমযুগ, ইয়াত তোমালোক সন্তানসকল অতি মিঠা পিতাৰ স্মৃতিৰে সতোপ্ৰধান হোৱা”

প্ৰশ্ন: অনেক প্ৰকাৰৰ প্ৰশ্নৰ উৎপত্তিৰ কাৰণ তথা সেই সকলোবোৰৰ নিবাৰণ কি?

উত্তৰ: যেতিয়া দেহ-অভিমানত আহা তেতিয়া সংশয় উৎপন্ন হয় আৰু সংশয় উৎপন্ন হোৱা বাবে অনেক প্ৰশ্নৰ উৎপত্তি হৈ যায়। বাবাই কয় – মই তোমালোক সন্তানসকলক যি কাম দিছোঁ – পতিতৰ পৰা পাৱন হোৱা আৰু কৰি তোলা, এইটো কামত ব্যস্ত হৈ থাকিলে সকলো প্ৰশ্ন সমাপ্ত হৈ যাব।

গীত: তুম্হে পাকে হমনে জহান পা লিয়া… (তোমাক পাই আমি গোটেই জগতখনেই পাই গ’লোঁ…)

ওঁম্ শান্তি। অতি মৰমৰ সন্তানসকলে গীতটি শুনিলা। অতি মৰমৰ আত্মিক সন্তানসকল - এয়া কোনে ক’লে? নিশ্চয় আত্মিক পিতাইহে ক’ব পাৰে। অতি মৰমৰ আত্মিক সন্তানসকল এতিয়া সন্মুখত বহি আছে আৰু পিতাই বহুত মৰমেৰে বুজাই আছে। এতিয়া তোমালোকে জানা যে আত্মিক পিতাৰ বাহিৰে সকলোকে সুখ-শান্তি দিওঁতা বা সকলোকে এই দুখৰ পৰা মুক্ত কৰোঁতা, জগতত আন কোনো মনুষ্য থাকিব নোৱাৰে সেইবাবে দুখত পিতাক স্মৰণ কৰি থাকে। তোমালোক সন্তানসকল সন্মুখত বহি আছা। জানা যে বাবাই আমাক সুখধামৰ যোগ্য কৰি আছে। সদায় সুখধামৰ মালিক কৰি তোলোঁতা পিতা সন্মুখত আহিছে। এতিয়া বুজি পোৱা সন্মুখত শুনা আৰু দূৰৈত থাকি শুনাৰ মাজত বহুত পাৰ্থক্য আছে। মধুবনত সন্মুখত আহা। মধুবন প্ৰসিদ্ধ। মধুবনত তেওঁলোকে শ্ৰীকৃষ্ণৰ চিত্ৰ দেখুৱাইছে। কিন্তু শ্ৰীকৃষ্ণতো নাই। তোমালোক সন্তানসকলে জানা – এই ক্ষেত্ৰত পৰিশ্ৰম হয়। নিজক বাৰে বাৰে আত্মা বুলি নিশ্চয় কৰিব লাগে। মই আত্মাই পিতাৰ পৰা উত্তৰাধিকাৰ লৈ আছোঁ। পিতা গোটেই চক্ৰত এটা সময়তে আহে। এয়া কল্পৰ মনোমোহা সময়। ইয়াৰ নাম ৰখা হৈছে পুৰুষোত্তম। এয়াই সংগমযুগ য’ত সকলো মনুষ্য মাত্ৰেই উত্তম হয়। এতিয়াতো সকলো মনুষ্য মাত্ৰৰে আত্মা তমোপ্ৰধান পুনৰ সতোপ্ৰধান হয়। সতোপ্ৰধান হ’লে তেতিয়া উত্তম হয়। তমোপ্ৰধান হোৱা বাবে মনুষ্যও কনিষ্ঠ হৈ যায়। গতিকে এতিয়া পিতাই আত্মাসকলক সন্মুখত বহি বুজায়। গোটেই ভূমিকা আত্মায়ে পালন কৰে, শৰীৰে নহয়। তোমালোকৰ বুদ্ধিত উদয় হৈ গৈছে যে আমি আত্মাসকল প্ৰকৃততে নিৰাকাৰী সৃষ্টি বা শান্তিধামৰ নিবাসী আছিলোঁ। এইটো কোনেও নাজানে। নিজে বুজাবও নোৱাৰে। এতিয়া তোমালোকৰ বুদ্ধিৰ তলা খুলিছে। তোমালোকে বুজি পোৱা যথাযথ আত্মাসকল পৰমধামত থাকে। সেইখন হৈছে নিৰাকাৰী জগত। এইখন হ’ল সাকাৰী সৃষ্টি। ইয়াত আমি সকলো আত্মা ভাৱৰীয়া ভূমিকা পালন কৰোঁতা। প্ৰথমতে আমি ভূমিকা পালন কৰিবলৈ আহোঁ, তাৰপাছত ক্ৰমানুসৰি আহে আৰু যায়। সকলো ভাৱৰীয়া একেলগে আহি নাযায়। ভিন্ন ভিন্ন প্ৰকাৰৰ ভাৱৰীয়া আহে-যায়। সকলো একত্ৰিত তেতিয়া হয় যেতিয়া নাটক পূৰা হয়। এতিয়া তোমালোকে পৰিচয় পাইছা, আমি আত্মাসকল প্ৰকৃততে শন্তিধামৰ নিবাসী, ভূমিকা পালন কৰিবলৈ ইয়ালৈ আহোঁ। পিতাই গোটেই সময় ভূমিকা পালন কৰিবলৈ নাহে। আমিহে ভূমিকা পালন কৰি কৰি সতোপ্ৰধানৰ পৰা তমোপ্ৰধান হৈ যাওঁ। এতিয়া তোমালোক সন্তানসকলে সন্মুখত শুনিলে বহুত আনন্দ পোৱা। ইমান আনন্দ মুৰুলী পঢ়িলে পোৱা নাযায়। ইয়াত সন্মুখত আছা নহয়।

তোমালোক সন্তানসকলে বুজি পোৱা যে ভাৰত ভগৱান-ভগৱতীৰ স্থান আছিল। এতিয়া নহয়। চিত্ৰ দেখিছা, নিশ্চয় আছিল। আমি তাৰ নিবাসী আছিলোঁ – প্ৰথমতে আমি দেৱতা আছিলোঁ, নিজৰ ভূমিকাকতো স্মৰণ কৰিবা নে পাহৰি যাবা। পিতাই কয় – তোমালোকে ইয়াত এইটো ভূমিকা পালন কৰিলা। এইখন হৈছে ড্ৰামা। নতুন সৃষ্টিয়ে আকৌ পুৰণি সৃষ্টি হয়। প্ৰথমতে ওপৰৰ পৰা যিসকল আত্মা আহে, তেওঁলোক স্বৰ্ণিম যুগত আহে। এই সকলোবোৰ কথা এতিয়া তোমালোকৰ বুদ্ধিত আছে। তোমালোক বিশ্বৰ মালিক মহাৰজা-মহাৰাণী আছিলা। তোমালোকৰ ৰাজধানী আছিল। এতিয়াতো ৰাজধানী নাই। এতিয়া তোমোলোকে শিকি আছা, আমি ৰাজ্য কেনেকৈ চলাম! তাত পৰামৰ্শদাতা (মন্ত্ৰী) নাথাকে। ৰায় দিওঁতাৰ প্ৰয়োজন নাই। তেওঁলোকতো শ্ৰীমতৰ দ্বাৰা শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ হৈ যায়। তেতিয়া তেওঁলোকে অন্য কাৰো পৰা ৰায় লোৱাৰ প্ৰয়োজন নাথাকে। যদি কাৰোবাৰ পৰা ৰায় লয় তেন্তে বুজা যাব যে এওঁৰ বুদ্ধি দুৰ্বল। এতিয়া যি শ্ৰীমত পোৱা যায়, সেয়া সত্যযুগতো স্থায়ী হৈ থাকে। এতিয়া তোমালোকে বুজি পোৱা যে প্ৰথমতে যথাযথ এই দেৱী-দেৱতাসকলৰ আধাকল্প ৰাজত্ব আছিল। এতিয়া তোমোলোক আত্মা পুনৰুজ্জীৱিত হৈ আছা। এই জ্ঞান পৰমাত্মাৰ

বাহিৰে কোনেও আত্মাসকলক দিব নোৱাৰে।

এতিয়া তোমালোক সন্তানসকল দেহী-অভিমানী হ’ব লাগে। শান্তিধামৰ পৰা আহি ইয়াত তোমালোক বাণীত আহা। বাণীত নাহিলে কৰ্ম হ’ব নোৱাৰে। এয়া অতিকৈ বুজিবলগীয়া কথা। যেনেকৈ পিতাৰ সকলো জ্ঞান আছে তেনেকৈ তোমালোক আত্মাতো জ্ঞান আছে। আত্মাই কয় – আমি এটা শৰীৰ এৰি সংস্কাৰ অনুসৰি পুনৰ আন এটা শৰীৰ লওঁ। পুনৰ্জন্মও নিশ্চয় হয়। আত্মাই যি ভূমিকা পাইছে সেয়া পালন কৰি থাকে। সংস্কাৰ অনুসৰি পৰৱৰ্তী জন্ম লৈ থাকে। দিনে-প্ৰতিদিনে আত্মাৰ পৱিত্ৰতাৰ ডিগ্ৰী কম হৈ যায়। ‘পতিত’ শব্দটি দ্বাপৰৰ পৰা কাৰ্যকৰী হয়। তথাপিও অলপ পাৰ্থক্য নিশ্চয় আহে। তোমালোকে নতুন ঘৰ নিৰ্মাণ কৰা, এমাহ পাছত কিছু নিশ্চয় পাৰ্থক্য হ’ব। এতিয়া তোমালোক সন্তানসকলে বুজি পোৱা - বাবাই আমাক উত্তৰাধিকাৰ দি আছে। পিতাই কয় – আমি আহিছোঁ তোমোলোক সন্তানসকলক উত্তৰাধিকাৰ দিবলৈ। যিয়ে যিমান পুৰুষাৰ্থ কৰিব সিমান উচ্চ পদ পাব। পিতাৰ ওচৰত কোনো পাৰ্থক্য নাই। পিতাই জানে – আমাক আত্মাসকলক পঢ়ায়। আত্মাৰ পিতাৰ পৰা উত্তৰাধিকাৰ লোৱাৰ অধিকাৰ আছে, এই ক্ষেত্ৰত পুৰুষ-মহিলাৰ দৃষ্টি ইয়াত নাথাকে। তোমালোক সকলো সন্তান। পিতাৰ পৰা উত্তৰাধিকাৰ লৈ আছা। সকলো আত্মা ভাই ভাই, যাক পিতাই পঢ়ায়, উত্তৰাধিকাৰ দিয়ে। পিতাইহে আত্মিক সন্তানসকলৰ লগত কথা পাতে – হে অতি মৰমৰ সন্তানসকল, তোমালোকে বহুত সময় ভূমিকা পালন কৰি কৰি এতিয়া পুনৰ আহি নিজৰ উত্তৰাধিকাৰ ল’বলৈ মিলিত হৈছা। এয়াও ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। আৰম্ভণিৰ পৰা ভূমিকা নিৰ্ধাৰিত হৈ আছে। তোমালোক ভাৰৱীয়াসকলে ভূমিকা পালন কৰি কৰ্ম কৰি থাকা। আত্মা অবিনাশী, আত্মাত অবিনাশী ভূমিকা নিৰ্ধাৰিত হৈ আছে। শৰীৰতো সলনি হৈ থাকে। বাকী আত্মা কেৱল পৱিত্ৰৰ পৰা অপৱিত্ৰ হয়। পতিত হয়, সত্যযুগত হৈছে পাৱন। ইয়াক কোৱা হয় পতিত সৃষ্টি। যেতিয়া দেৱতাসকলৰ ৰাজত্ব আছিল তেতিয়া নিৰ্বিকাৰী সৃষ্টি আছিল। এতিয়া নাই। এয়া খেল হয় নহয়। নতুন সৃষ্টিয়ে পুৰণি সৃষ্টি হয়, পুৰণি সৃষ্টি আকৌ নতুন সৃষ্টি হয়। এতিয়া সুখধামৰ স্থাপনা হয়, বাকী সকলো আত্মা মুক্তিধামত থাকিব। এতিয়া এই বেহদৰ ড্ৰামা পূৰা হৈছে। সকলো আত্মা মহৰ নিচিনাকৈ যাব। এই সময়ত কোনো আত্মা আহিলে পতিত সৃষ্টিত তেওঁলোকৰ কি মূল্য থাকিব। মূল্য তেওঁলোকৰ যিসকল প্ৰথমতে নতুন সৃষ্টিলৈ আহে। তোমালোকে জানা যিখন নতুন সৃষ্টি আছিল সেইখন আকৌ পুৰণি হৈছে। নতুন সৃষ্টিত আমি দেৱী-দেৱতা আছিলোঁ। তাত দুখৰ নামেই নাছিল। ইয়াততো অপাৰ দুখ। পিতা আহি দুখৰ জগতৰ পৰা মুক্ত কৰে। এই পুৰণি সৃষ্টি নিশ্চয় পৰিৱৰ্তন হ’ব। তোমালোকে বুজি পোৱা – যথাযথ আমি সত্যযুগৰ মালিক আছিলোঁ। পুনৰ 84 জন্মৰ পাছত এনেকুৱা হৈছোঁ। এতিয়া পুনৰ পিতাই কয় – মোক স্মৰণ কৰা তেতিয়া তোমোলোক স্বৰ্গৰ মালিক হ’বা। তেন্তে আমি কিয়নো নিজক আত্মা বুলি নিশ্চয় নকৰোঁ আৰু পিতাক স্মৰণ নকৰোঁ। কিছুতো পৰিশ্ৰম কৰিব লাগিব নহয়। বাদশ্বাহী পোৱাতো জানো সহজ। পিতাক স্মৰণ কৰিব লাগে। এয়া মায়াৰ আশ্চৰ্য যে বাৰে বাৰে তোমোলোকক পাহৰাই দিয়ে। ইয়াৰ বাবে উপায় ৰচিব লাগে। এনেকুৱা নহয়, মোৰ হৈ গ’লে স্মৃতি স্থায়ী হৈ যাব। বাকী পুৰুষাৰ্থ কি কৰিবা! নহয়। যেতিয়ালৈকে জীয়াই থাকিবা পুৰুষাৰ্থ কৰিব লাগে। জ্ঞান অমৃত পান কৰি থাকিব লাগে। এয়াও বুজি পোৱা – আমাৰ এয়া অন্তিম জন্ম। এই শৰীৰৰ বোধ ত্যাগ কৰি দেহী-অভিমানী হ’ব লাগে। গৃহস্থালিতো থাকিব লাগে। পুৰুষাৰ্থ নিশ্চয় কৰিব লাগে। কেৱল নিজক আত্মা বুলি নিশ্চয় কৰি পিতাক স্মৰণ কৰা। ত্বমেব মাতাশ্চ পিতা… অৰ্থাৎ তুমিয়েই মাতা পিতা… এই সকলোবিলাক হৈছে ভক্তিমাৰ্গৰ মহিমা। তোমালোকে কেৱল এক ‘অল্ফ’ক (পিতাক) স্মৰণ কৰিব লাগে। এজনেই আটাইতকৈ মিঠা। আন সকলো কথা এৰি একমাত্ৰ মিঠা পিতাক স্মৰণ কৰা। এতিয়া তোমালোক আত্মা তমোপ্ৰধান হৈছা, আত্মাক সতোপ্ৰধান কৰি তুলিবলৈ স্মৃতিৰ যাত্ৰাত থাকা। সকলোকে এয়াই কোৱা পিতাৰ পৰা সুখৰ উত্তৰাধিকাৰ লওঁক। সুখ হয়েই সত্যযুগত। সুখধাম স্থাপনা কৰোঁতাজন হৈছে বাবা। পিতাক স্মৰণ কৰাতো বহুত সহজ। কিন্তু মায়াৰ বিৰুদ্ধাচৰণ বহুত, সেইবাবে চেষ্টা কৰি মোক পিতাক স্মৰণ কৰা তেতিয়া খাদ (বিকাৰৰ লেপ) নাইকিয়া হৈ যাব। ছেকেণ্ডত জীৱনমুক্তি বুলি গোৱা হয়। আমি আত্মা আত্মিক পিতাৰ সন্তান। তাৰ নিবাসী। পুনৰ আমি নিজৰ ভূমিকা পুনৰাবৃত্তি কৰিব লাগে। এই ড্ৰামাত সকলোতকৈ বেছি ভূমিকা আমাৰ। সুখো সকলোতকৈ অধিক আমি পাম। পিতাই কয় – তোমোলোকৰ দেৱী-দেৱতা ধৰ্ম বহুত সুখ দিওঁতা হয় আৰু বাকী সকলো হিচাপ-নিকাচ নিষ্পত্তি কৰি আপোনাআপুনি শান্তিধামলৈ গুচি যাব। বেছি বিস্তাৰত আমি কিয় যাওঁ। পিতা আহেই সকলোকে ওভতাই লৈ যাবলৈ। মহৰ জুমৰ নিচিনাকৈ সকলোকে লৈ যায়। সত্যযুগত বহুত কম থাকে। এই সকলোবোৰ ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। শৰীৰ নাশ হৈ যাব। আত্মা যি অবিনাশী হয় সেই আত্মাই হিচাপ-নিকাচ নিষ্পত্তি কৰি গুচি যাব। এনেকুৱা নহয় যে আত্মা জুইত দিলে পৱিত্ৰ হ’ব। আত্মা স্মৃতিৰূপী যোগ অগ্নিৰেহে পৱিত্ৰ হ’ব। এয়া হৈছে যোগৰ অগ্নি। তেওঁলোকে আকৌ বহি নাটক ৰচনা কৰিছে। সীতা জুইৰে পাৰ হ’ল। জুইৰ দ্বাৰা জানো কোনোবা পাৱন হয়। পিতাই বুজায় – তোমালোক সকলো সীতা এতিয়া পতিত। ৰাৱণৰ ৰাজ্যত আছা। এতিয়া এজন পিতাৰ স্মৃতিৰে তোমোলোক পাৱন হ’ব লাগে। ৰাম এজনেই। জুই শব্দটি শুনি ভাবে – জুইৰে পাৰ হ’ল। ক’ত যোগ

অগ্নি, ক'ত সেয়া। আত্মাই পৰমপিতা পৰমাত্মাৰ লগত যোগসূত্ৰ গঢ়িলেহে পতিতৰ পৰা পাৱন হ'ব। ৰাতি-দিনৰ পাৰ্থক্য আছে। নৰকত সকলো সীতা ৰাৱণৰ কাৰাগাৰত শোক বনত আছে। ইয়াৰ সুখতো কাউৰীৰ বিষ্ঠাৰ সমান। তুলনা কৰা হয়। স্বৰ্গৰ সুখতো অপাৰ।

তোমালোক আত্মাসকলৰ এতিয়া শিৱ প্ৰেমিকৰ সৈতে বাগদান হৈছে। তেন্তে আত্মা স্ত্ৰী হ'ল নহয়! শিৱবাবাই কয় – কেৱল মোক স্মৰণ কৰা তেতিয়া তোমালোক পাৱন হৈ যাবা। শান্তিধামলৈ গৈ পুনৰ সুখধামলৈ আহি যাবা। গতিকে সন্তানসকলে জ্ঞান ৰত্নৰে জোলোঙা ভৰপূৰ কৰা উচিত। কোনো প্ৰকাৰৰ সংশয় আনিব নালাগে। দেহ-অভিমানত আহিলে আকৌ অনেক প্ৰকাৰৰ প্ৰশ্ন উদয় হয়। তেতিয়া পিতাই যি কাম দিয়ে সেয়া নকৰে। মূল কথা হ'ল – আমি পতিতৰ পৰা পাৱন হ'ব লাগে। অন্য কথা এৰি দিয়া উচিত। ৰাজধানীৰ যি ৰীতি-প্ৰথা হ'ব সেয়া চলিব। যেনেকৈ মহল সাজিছিল তেনেকৈ সাজিব। মূল কথা হৈছে পৱিত্ৰ হোৱাৰ। আহ্বানো জনায় পতিত-পাৱন... পাৱন হ'লে সুখী হৈ যাব। সকলোতকৈ পাৱন হ'ল দেৱী-দেৱতাসকল।

এতিয়া তোমালোক 21 জন্মৰ বাবে সৰ্বোত্তম পাৱন হোৱা। তাক কোৱা হয় সম্পূৰ্ণ নিৰ্বিকাৰী পাৱন। গতিকে পিতাই যি শ্ৰীমত দিয়ে, সেইমতে চলা উচিত। একো সংকল্প উৎপন্ন কৰাৰ দৰকাৰ নাই। প্ৰথমতে আমি পতিতৰ পৰা পাৱনতো হওঁ। আহ্বানো জনায় – হে পতিত-পাৱন... কিন্তু একোৱে বুজি নাপায়। এয়াও নাজানে পতিত-পাৱন কোন? এয়া হ'ল পতিত সৃষ্টি, সেয়া হ'ল পাৱন সৃষ্টি। মুখ্য কথা হৈছেই পাৱন হোৱাৰ। পাৱন কোনে কৰি তুলিব? এয়া একোৱেই নাজানে। পতিত-পাৱন বুলি কৈ মাতে কিন্তু যদি কোৱা, তোমালোক পতিত তেন্তে বিতুষ্ট হৈ যাব। নিজক বিকাৰী বুলি কোনেও নাভাবে। তেওঁলোকে কয় – গৃহস্থালিততো সকলো আছিল। ৰাধা-কৃষ্ণ, লক্ষ্মী-নাৰায়ণৰো সন্তান আছিল নহয়। তাত যোগবলেৰে সন্তান জন্ম হয়, এয়া পাহৰি গ'ল। তাক নিৰ্বিকাৰী সৃষ্টি স্বৰ্গ বুলি কোৱা হয়। সেয়া হ'ল শিৱালয়। পিতাই কয় – পতিত সৃষ্টিত এজনো পাৱন নাই। এই পিতাতো পিতা, শিক্ষক আৰু সৎগুৰু হয় যিয়ে সকলোকে সৎগতি দিয়ে। তেওঁলোকৰ ক্ষেত্ৰততো এজন গুৰু গুচি গ'লে তেতিয়া পুনৰ সন্তানসকলক গাদী দিব। এতিয়া তেওঁলোকে কেনেকৈ সৎগতিত লৈ যাব? সকলোৰে সৎগতিদাতা হয়েই এজন। সত্যযুগত কেৱল দেৱী-দেৱতা থাকে। বাকী ইমানবিলাক আত্মা শান্তিধামলৈ গুচি যাব। ৰাৱণৰাজ্যৰ পৰা মুক্ত হৈ যায়। পিতাই সকলোকে পৱিত্ৰ কৰি লৈ যায়। পাৱনৰ পৰা তৎক্ষণাৎ কোনেও পতিত নহয়। ক্ৰমানুসৰি অৱনমিত হয়, সতোপ্ৰধানৰ পৰা সতো, ৰজো, তমো... তোমোলোকৰ বুদ্ধিত 84 জন্মৰ চক্ৰ আছে। তোমালোক যেন এতিয়া 'লাইট-হাউচ' হোৱা। জ্ঞানৰ দ্বাৰা এই চক্ৰক জানি গৈছা যে এই চক্ৰ কেনেকৈ ঘূৰে। এতিয়া তোমালোক সন্তানসকলে আন সকলোকে ৰাস্তা দেখুৱাব লাগে। সকলো হৈছে নাও, তোমালোক চালক, ৰাস্তা দেখুৱাওঁতা। সকলোকে কোৱা – আপোনোলোকে শান্তিধাম আৰু সুখধামক স্মৰণ কৰক। কলিযুগ দুখধামক পাহৰি যাওক। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) যেতিয়ালৈ জীয়াই থাকিবা জ্ঞান অমৃত পান কৰি থাকিব লাগে। নিজৰ জোলোঙা জ্ঞান ৰত্নৰে ভৰপূৰ কৰিব লাগে। সংশয়ত আহি কোনো প্ৰশ্নৰ অৱতাৰণা কৰিব নালাগে।

(2) যোগ অগ্নিৰে আত্মাৰূপী সীতাক পাৱন কৰি তুলিব লাগে। কোনো কথাৰ বিস্তাৰত বেছিকৈ নগৈ দেহী-অভিমানী হোৱাৰ পৰিশ্ৰম কৰিব লাগে। শান্তিধাম আৰু সুখাধামক স্মৰণ কৰিব লাগে।

বৰদান: সদায় মননৰ দ্বাৰা মগন অৱস্থাৰ সাগৰত সমাহিত হোৱাৰ অনুভৱ কৰোঁতা অনুভৱী মূৰ্ত হোৱা

অনুভৱ বৃদ্ধি কৰাৰ আধাৰ হ'ল মনন শক্তি। যিয়ে মনন কৰে তেওঁ স্বতঃ মগন হৈ থাকে। মগন অৱস্থাত যোগ লগাবলগীয়া নহয় কিন্তু নিৰন্তৰ লাগি থাকে, পৰিশ্ৰম কৰিবলগীয়া নহয়। মগন অৰ্থাৎ প্ৰেমৰ সাগৰত সমাহিত হৈ থকা, এনেকৈ সমাহিত হৈ থাকা যাতে কোনেও পৃথক কৰিব নোৱাৰে। গতিকে পৰিশ্ৰমৰ পৰা মুক্ত হোৱা, সাগৰৰ সন্তান হোৱা সেয়েহে অনুভৱৰ পুখুৰীত স্নান নকৰিবা, সাগৰত সমাহিত হৈ যোৱা তেতিয়া অনুভৱী মূৰ্ত বুলি কোৱা হ'ব।

শ্লোগান: তেৱেঁই জ্ঞান স্বৰূপ আত্মা যাৰ প্ৰতিটো সংকল্প, প্ৰতিটো চেকেণ্ড সমৰ্থ হয়।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: এই অব্যক্ত মাহত বন্ধনমুক্ত হৈ থাকি জীৱনমুক্ত স্থিতিৰ অনুভৱ কৰা

যদি কোনো স্বভাৱ, সংস্কাৰ, ব্যক্তি অথবা বৈভৱৰ বন্ধনে নিজৰ ফালে আকৰ্ষিত কৰে, তেন্তে পিতাৰ স্মৃতিৰ আকৰ্ষণ সদায় থাকিব নোৱাৰে। কৰ্মাতীত হোৱা মানে সকলো কৰ্ম বন্ধনৰ পৰা মুক্ত হৈ, অনাসক্ত হৈ, প্ৰকৃতিৰ দ্বাৰা নিমিত্ত মাত্ৰ কৰ্ম কৰোৱা। এই অনাসক্ত হোৱাৰ পুৰুষাৰ্থ বাৰে বাৰে কৰি থাকা। সহজ আৰু স্বতঃ এইটো অনুভূতি হওক যে "কৰাওঁতা আৰু কৰোঁতা এই কৰ্মেন্দ্ৰিয়বোৰ হয়েই পৃথক।